**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-MAY-2026 **Time :** 1845HRS

***Assamese Evening Bulletin***

——————————————————————

## HEADLINES

::::::::::::::::::

১। দিছপুৰত কাইলৈৰ পৰা ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন। অধ্যক্ষ পদৰ বাবে বিজেপিৰ ৰণজিত কুমাৰ দাসৰ মনোনয়ন দাখিল।

২। জুবিন ক্ষেত্ৰৰ মূল কাম পৰ্যায়ক্ৰমে কৰি যোৱা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাজ্যত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণৰ বাবে বিশেষ ব্যৱস্থা।

৪। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত গৃহ আৰু ৰাজনৈতিক আয়ুক্ত সচিব ড০ বীৰেন্দ্ৰ কুমাৰ গোহাঁইৰ দেহাৱসান।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ আৰু কলকাতা নাইট ৰাইডাৰ্ছ মুখামুখি।

০০০০০০০

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ'ব। অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে কাইলৈ নৱ-নিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। বিধায়কসকলৰ জ্যেষ্ঠতাৰ ভিত্তিত শপত গ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। ইয়াৰ পাছতে অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁটৰ হৈ ৰণজিত কুমাৰ দাসে আজি অধ্যক্ষ পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। এন ডি এৰ নেতৃবৰ্গই বিজেপিৰ বিধায়কগৰাকীৰ হৈ বিধানসভাৰ সচিব দুলাল পেগুৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰে। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব।

ইপিনে বিধানসভা অধিৱেশনৰ পূৰ্বে আজি অসম গণ পৰিষদৰ বিধায়িনী দলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত আসন্ন অধিৱেশনত গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থা সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। ইয়াৰ পূৰ্বে অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাকে ধৰি দলৰ বিধায়কসকলে গুৱাহাটীৰ পশ্চিম বৰাগাঁওস্থিত শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু উদ্যানত উপস্থিত হৈ অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাৰ আঁহতগুৰিৰ সংৰক্ষিত চৰকাৰী ভূমি পৰিদৰ্শন কৰাৰ লগতে অঞ্চলটোত ৰূপায়ণ হৈ থকা প্ৰকল্পসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ড০ শৰ্মাই জাগীৰোড সমষ্টিৰ অন্তৰ্গত বৰগুৰিত বিভিন্ন চৰকাৰী প্ৰতিষ্ঠান স্থাপনৰ বাবে সংৰক্ষিত ৩৩১ বিঘা চৰকাৰী ভূমি পৰিদৰ্শন কৰে। তেওঁ লগতে চিপিৰি-দুৰুলাডুবি ৰাজহ গাঁৱৰ এহেজাৰ ৬৭ বিঘাৰো অধিক ভূমিত প্ৰস্তাৱিত মেগা ঔদ্যোগিক পাৰ্কৰ স্থান পৰিদৰ্শন কৰে। ড০ শৰ্মাই বিভিন্ন চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপনৰ বাবে গুৱাহাটীৰ সমীপৰ এই ভূমিখিনি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি সাংবাদিকৰ আগত মন্তব্য কৰে।

**বাইট (চি এম-১)**

মুখ্যমন্ত্ৰী ড০ শৰ্মাই ইয়াৰ পাছত মৰিগাঁও জিলাৰ জাগীৰোডৰ ঐতিহাসিক গোভা দেওৰজাৰ দেওশাল মন্দিৰত পূজা-অৰ্চনা কৰি ৰাজ্যবাসীৰ মংগলৰ হকে প্ৰাৰ্থনা জনায়। ড০ শৰ্মাই আজি জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ লগতে প্ৰকল্পটোৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ ইয়াৰ অগ্ৰগতিৰ খতিয়ান লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে সোণাপুৰৰ কমাৰকুছিত থকা জুবিন ক্ষেত্ৰ পৰিদৰ্শন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ড০ শৰ্মাই সাংবাদিকৰ আগত কয়, যে জুবিন ক্ষেত্ৰত সম্প্ৰতি নিৰ্মাণ হৈ থকা ৩ কোটি টকাৰ সীমাৰ দেৱালকে ধৰি নিৰ্মাণকাৰ্যৰ প্ৰাৰম্ভিক পৰ্যায় আৰম্ভ হৈছে আৰু ভূমিস্খলনৰ পৰা ক্ষেত্ৰখন সুৰক্ষাৰ বাবেও ব্যৱস্থা লোৱা হৈছে। সীমাৰ দেৱালৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতে লোকনিৰ্মাণ বিভাগৰ দ্বাৰা নিৰ্মাণ হ'বলগীয়া সমাধিক্ষেত্ৰৰ মূল কামসমূহো পৰ্যায়ক্ৰমে কৰি যোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

**বাইট (চি এম-২)**

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ ব্যৱস্থাৰ পৰ্যালোচনা কৰে। বৈঠকত বজাৰৰ সন্তুলন বৰ্তাই ৰখাৰ লগতে অস্বাভাৱিক মূল্য বৃদ্ধি ৰোধ কৰাৰ বাবে কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি জিলা আয়ুক্তৰ নেতৃত্বত ৩-৪ দিনৰ ভিতৰত জিলা নিৰীক্ষণ সমিতি গঠন কৰা হ'ব। সকলো দোকান আৰু পাইকাৰী বিপণীত খুচুৰা তথা পাইকাৰী মূল্য প্ৰদৰ্শন কৰাটো বাধ্যতামূলক হ'ব। কোনো দোকান-প্ৰতিষ্ঠানে অস্বাভাৱিকভাৱে মূল্য বৃদ্ধি কৰিলে এই প্ৰতিষ্ঠানসমূহৰ বাণিজ্যিক অনুজ্ঞাপত্ৰ বাতিলকে ধৰি অন্য কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি অস্বাভাৱিক মূল্য বৃদ্ধি ধৰা পেলোৱা আৰু এনে ঘটনা ৰোধ কৰাৰ বাবে ক্ষেত্ৰ পৰ্যায়ৰ নিৰীক্ষণ তীব্ৰতৰ কৰি তোলা হ'ব। একেদৰে জিলা আয়ুক্ত, বণিক সংঘ আৰু বাণিজ্য সংস্থাসকলৰ মাজত সাপ্তাহিক পৰ্যালোচনা ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰি ৰন্ধন গেছৰ বিতৰণৰ ক্ষেত্ৰত দেখা দিয়া আঁসোৱাহ দূৰ কৰিবলৈ প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ দ্ৰুত আধাৰ সংযোজনৰ দিহা কৰা হৈছে।

০০০০০০০

অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিৰ ফলত কোনো দোকান প্ৰতিষ্ঠানে যাতে জনসাধাৰণক হাৰাশাস্তি কৰিব নোৱাৰে, সেয়া নিশ্চিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহ তৎপৰ হৈ পৰিছে। যোৰহাট জিলা আয়ুক্তৰ

কাৰ্যালয়ৰ সভাকক্ষত আজি এই সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।বৈঠকত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ আৰু বজাৰৰ সুস্থিৰতা বজাই ৰখাৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। এই বৈঠকতে মূল্য বৃদ্ধিৰ পৰিস্থিতিৰ ওপৰত বজাই ৰাখিবলৈ জিলা পৰ্যায়ৰ কাৰ্যবাহিনী গঠন কৰা হয়। তদুপৰি সামগ্ৰীৰ বজাৰ মূল্য নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পাইকাৰী আৰু খুচুৰা ব্যৱসায়ীসকলৰ লগতে বাণিজ্যিক সন্থাসমূহে ল'বলগীয়া প্ৰয়োজনীয় আৰু কাৰ্যকৰী পদক্ষেপ সন্দৰ্ভত নিৰ্দেশ দিয়া হয়।

দৰং জিলাতো আজি জিলা আয়ুক্তৰ অধ্যক্ষতাত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ আৰু নিয়মীয়া নিৰীক্ষণৰ বাবে গঠন কৰা জিলা কাৰ্যবাহিনীৰ প্ৰথমখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়।

বৰপেটা জিলাত কোনো ব্যৱসায়ীয়ে যাতে নিজৰ ইচ্ছা অনুসৰি সামগ্ৰীৰ মূল্য বৃদ্ধি কৰি গ্ৰাহকক হাৰাশাস্তি কৰিব নোৱাৰে তাৰ বাবে জিলা প্ৰশাসনে নিৰীক্ষণ ব্যৱস্থা ত্বৰান্বিত কৰি তুলিছে। এই উদ্দেশ্যে আজি জিলা আয়ুক্ত কাৰ্যালয়ত অসামৰিক যোগান বিভাগৰ অতিৰিক্ত জিলা আয়ুক্তৰ লগতে যোগান বিভাগৰ প্ৰতিনিধি, জিলাখনৰ বিভিন্ন বজাৰৰ ব্যৱসায়ী সন্থা আৰু চেম্বাৰ অৱ কমাৰ্চৰ প্ৰতিনিধিসকলৰ উপস্থিতিত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত সামগ্ৰীৰ মূল্যৰ তালিকা সকলোৱে দেখাকৈ আঁৰি থোৱাৰ ক্ষেত্ৰত জিলা প্ৰশাসন আৰু যোগান বিভাগে কঠোৰ দৃষ্টি ৰাখিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলাখনত যোগান বিভাগৰ দলে বজাৰসমূহত নিয়মীয়া নিৰীক্ষণ অব্যাহত ৰাখিছে।

ৰাজ্যজুৰি পেট্ৰ'ল, ডিজেল, ৰন্ধনগেছ আদি অত্যাৱশ্যকীয় সামগ্ৰীৰ দ্ৰুতগতিত হৈ থকা মূল্য বৃদ্ধিৰ বিৰুদ্ধে আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, বজালী জিলা সমিতিয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

০০০০০০০

চৰাইদেউ জিলাৰ সোণাৰী মহাবিদ্যালয়ৰ খেলপথাৰত আজি সেনাবাহিনীৰ অগ্নিবীৰ নিযুক্তি প্ৰক্ৰিয়াৰ দ্বিতীয়টো প্ৰস্তুতি শিবিৰ অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ তত্বাৱধানত আয়োজিত এই শিবিৰত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ১৮০ গৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। অগ্নিবীৰ নিযুক্তি প্ৰক্ৰিয়াৰ বাবে প্ৰাৰ্থীসকলক শাৰীৰিক আৰু মানসিকভাৱে প্ৰস্তুত কৰি তোলাৰ লক্ষ্যৰে সেনা বিষয়াসকলৰ তত্বাৱধানত যুৱক-যুৱতীসকলৰ উচ্চতা নিৰূপণ, দৌৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকি চৰাইদেউ জিলা আয়ুক্ত ডা০ নেহা যাদৱে প্ৰাৰ্থীসকলক একাগ্ৰতা, অনুশাসন আৰু দৃঢ়তাৰে নিজৰ লক্ষ্যৰ দিশে আগবাঢ়িবলৈ উৎসাহিত কৰে। জিলাখনত যোৱা ১১ মে'ত অগ্নিবীৰ নিযুক্তি প্ৰক্ৰিয়াৰ বাবে প্ৰথমটো শিবিৰ অনুষ্ঠিত হৈছিল। অহা ছমাহৰ ভিতৰত জিলাখনৰ বিভিন্ন প্ৰান্তত ধাৰাবাহিকভাৱে এনে শিবিৰ অনুষ্ঠিত কৰি যুৱক-যুৱতীসকলক সেনা বাহিনীত নিযুক্তিৰ বাবে সাজু কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

**বাইট (জিলা আয়ুক্ত)**

০০০০০০০

২০২৭ বৰ্ষৰ বাবে সেনাবাহিনীত অগ্নিবীৰ আৰু জুনিয়ৰ কমিচনড বিষয়া নিযুক্তিৰ বাবে হ'বলগীয়া চি ই ই  অৰ্থাৎ সাধাৰণ প্ৰৱেশ পৰীক্ষা অহা ১ জুনৰ পৰা ১২ জুনলৈ অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে পৰীক্ষাৰ বাবে

প্ৰৱেশ পত্ৰ সেনাবাহিনীৰ অফিচিয়েল ৱেব চাইট WWW.JOININDIAN ARMY.NIC.IN ৰ পৰা ডাউন লোড কৰিব পাৰিব।

০০০০০০০

আজি বিশ্ব মৌমাখি দিৱস। পৰিস্থিতি তন্ত্ৰৰ ভাৰসাম্য ৰক্ষাৰ উদ্দেশ্যে উদ্ভিদৰ পৰাগযোগত মৌমাখিৰ ভূমিকা সম্পৰ্কে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিবছৰে ২০ মে'ত এই দিৱস পালন কৰা হয়। ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহে ২০১৭ চনৰ আজিৰ এই দিনটোত প্ৰথমবাৰলৈ বিশ্ব মৌমাখি দিৱস পালনৰ দিহা কৰিছিল।

মাজুলীৰ মুদৈবিল গাঁৱৰ ভীমকান্ত শইকীয়াই মৌ পালনেৰে স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰিছে। বিগত ২১ বছৰ ধৰি মৌ পালন কৰি অহা শইকীয়া মাজুলীৰ প্ৰথমগৰাকী মৌ পালক। বিশ্ব মৌমাখি দিৱস উপলক্ষে শ্ৰীশইকীয়াই এইদৰে নিজৰ অনুভৱ ব্যক্ত কৰে–

**বাইট (ভীমকান্ত শইকীয়া)**

০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি ঔষধ ব্যৱসায়ীসকলে ধৰ্মঘট কাৰ্যসূচী পালন কৰিছে। অৱশ্যে জৰুৰীকালীন ৰোগীৰ বাবে ঠায়ে ঠায়ে ফাৰ্মাচীসমূহ খোলা ৰখা হৈছে। শিৱসাগৰ জিলাত অল ইণ্ডিয়া অৰ্গেনাইজেচন অব কেমিষ্ট এণ্ড ড্ৰাগিষ্ট-এ আহ্বান জনোৱা এই ধৰ্মঘটৰ প্ৰভাৱ পৰিলক্ষিত হয়। জিলাখনৰ ভালেসংখ্যক ফাৰ্মাচী প্ৰতিষ্ঠান আজি বন্ধ থাকে। নগাঁও জিলা ঔষধ ব্যৱসায়ী সন্থায়েও এই কাৰ্যসূচী গ্ৰহণ কৰে। অনলাইন ঔষধৰ যোগান আৰু বিক্ৰী বন্ধ কৰা, নিয়ন্ত্ৰণহীন দৰৰ বিক্ৰীৰ ফলত হোৱা ভেজাল ঔষধ আৰু নিচাযুক্ত ঔষধৰ সহজলভ্যতা বন্ধ কৰি জনস্বাস্থ্য সুৰক্ষিত কৰা আদি দাবীৰে ঔষধ ব্যৱসায়ীসকলে এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে।

কোকৰাঝাৰ জিলাৰ ফাৰ্মাচীসমূহেও এই প্ৰতিবাদ কাৰ্যসূচীত ভাগ লয়। ইয়াৰ ফলত জিলাখনৰ অধিকাংশ ফাৰ্মাচী বন্ধ থাকে যদিও জৰুৰীকালীন আৰু অত্যাৱশ্যকীয় আগবঢ়োৱাৰ স্বাৰ্থত কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ৰ সমীপৰ চাৰিখন, অসামৰিক চিকিৎসালয়ৰ ওচৰৰ এখন আৰু বিটিচি সচিবালয়ৰ সমীপৰ এখন ফাৰ্মাচী খোলা ৰখা হয়।

০০০০০০০

ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ প্ৰাসংগিক আৰু অনুভৱময় সাহিত্য সৃষ্টিক বড়ো ভাষাৰ পাঠক সমাজৰ ওচৰলৈ লৈ যোৱাৰ প্ৰশংসনীয় প্ৰয়াসৰ অংশ হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু অধ্যয়ন বিভাগত আজি 'মৰমৰ দেউতা'ৰ বড়ো ভাষালৈ অনুদিত গ্ৰন্থ 'অনছুলা আফা' আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। আধুনিক ভাৰতীয় ভাষা আৰু অধ্যয়ন বিভাগৰ গৱেষক ছাত্ৰী উদাংশ্ৰী বড়োৱে অনুবাদ কৰা গ্ৰন্থখন উন্মোচন কৰি পদ্মশ্ৰী সন্মানেৰে বিভূষিত অধ্যাপক অনীল কুমাৰ বড়োৱে কয়, যে 'মৰমৰ দেউতা' ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ সাহিত্য সমাজ জীৱনৰ গভীৰ অভিজ্ঞতাৰ দলীল আৰু এই অনুবাদৰ জৰিয়তে বড়ো ভাষাৰ পাঠকেও সেই অনুভৱ আৰু সাহিত্য সৌৰভ নতুন ৰূপত অনুভৱ কৰাৰ সুযোগ লাভ কৰিব।

০০০০০০০

অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত গৃহ আৰু ৰাজনৈতিক আয়ুক্ত সচিব ড০ বীৰেন্দ্ৰ কুমাৰ গোহাঁইৰ আজি দিল্লীৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। ড০ গোহাঁইয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈৰ আয়ুক্ত সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ অসম তথ্য আয়োগৰ ৰাজ্যিক তথ্য আয়ুক্ত হিচাপেও কৰ্মৰত আছিল। ইয়াৰ উপৰি তেওঁ চাওলুং চ্যুকাফা সমন্বয় ক্ষেত্ৰৰ উপ-সভাপতিৰ দায়িত্বও পালন কৰিছিল।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিকলকাতাৰ ইডেন গাৰ্ডেন  ছত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ  বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া  চাৰে ৭ বজাত আৰম্ভ হ’ব।

প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েন্টছক ৭ উইকেটত পৰাস্ত কৰে।

0000000

সমাপ্ত